**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-MAR-2026 **Time :** 1100 Hrs

***Assamese 11 PM Bulletin***

-------------------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৪৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীন ফিল্ডত দিনৰ আঢ়ৈ বজাত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বাঁশবাৰীত মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, কেইবাখনো উৰণ সেঁতু আৰু দুখনকৈ দলঙৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে উন্নত যাতায়াত ব্যৱস্থাৰে বি টি চি এলেকাৰ উন্নয়নৰ লক্ষ্যৰে তিনিখনকৈ নতুন ৰে'লগাড়ী মুকলি কৰিব। এই প্ৰকল্পসমূহে ঔদ্যোগিক উন্নয়ন ত্বৰান্বিত কৰাৰ উপৰি নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদী বিয়লি ৫ বজাত গুৱাহাটীলৈ আহিব আৰু খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ আন্তঃগাঁথনি আৰু শক্তিখণ্ডৰ উন্নয়নেৰে সবল অসম নিৰ্মাণৰ দিশত উল্লেখনীয় পদক্ষেপ হিচাপে গুৱাহাটীত ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰিব। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰিব। প্ৰথম পৰ্যায়ত ২০ খন জিলাৰ ১০৬ খন চাহ বাগিচাৰ শ্ৰমিকসকলক ভূমিপট্টা প্ৰদান কৰা হ'ব। তেওঁ লগতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব।

শ্ৰীমোদীয়ে কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

oooooooo

ৰাজ্যত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক'লা বজাৰ চলোৱা অসাধু চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কঠোৰ নিৰ্দেশ জাৰি কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে

কয়, যে কোনো চক্ৰই যাতে অতিৰিক্ত চিলিণ্ডাৰ ক্ৰয় কৰি ক'লা বজাৰ চলাব নোৱাৰে তাৰবাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে সকলো জিলাৰ আয়ুক্তলৈ নিৰ্দেশ জাৰি কৰা হৈছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা বৃদ্ধি কৰিছে বুলিও জানিবলৈ দিয়ে। এই সন্দৰ্ভত অতি শীঘ্ৰেই তেওঁ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হ'ব বুলি প্ৰকাশ কৰে।

বাইট

উল্লেখযোগ্য যে পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত ইন্ধনৰ বজাৰত প্ৰভাৱ পৰাৰ ফলত বিভিন্ন ঠাইত প্ৰথমে ৰন্ধন গেছৰ নাটনিয়ে দেখা দিছে।

শিৱসাগৰ জিলাত ৰন্ধন গেছ আৰু আন পেট্ৰলিয়ামজাত সামগ্ৰীৰ উপলব্ধতাৰ সন্দৰ্ভত জিলা আয়ুক্ত মৃদুল যাদৱৰ অধ্যক্ষতাত কালি বিয়লি এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গ্ৰাহকৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ পৰ্য্যাপ্ত পৰিমাণৰ ৰন্ধন গেছ মজুত আছে বুলি সংশ্লিষ্ট বিতৰক সকলে প্ৰকাশ কৰে। জিলা আয়ুক্ত গৰাকীয়ে বিতৰক সকলক কৃত্ৰিম নাটনি, ক'লা বজাৰ, মূল্য বৃদ্ধিৰ দৰে অনিয়মৰ আশ্ৰয় নলবলৈ সকলোকে সকিয়াই দিয়ে। এই ক্ষেত্ৰত এটা কাৰ্য্যবাহিনী গঠন কৰাৰ বাবেও বৈঠকত সিদ্ধান্ত লোৱা হয়।

০০০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি শিৱসাগৰ জিলাত সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। শ্ৰী গোৱেলে জিলা আয়ুক্তৰ সৈতে বিভিন্ন বিষয়ত মত বিনিময় কৰাৰ লগতে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত স্থাপন কৰা ষ্টং ৰুম, ভোট গ্ৰহণৰ সামগ্ৰী বিতৰণ আৰু আহৰণ কেন্দ্ৰ আদি পৰিদৰ্শন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০০